**<u>ক’লকাতা ক্ষেত্ৰ, ক’লকাতা</u>**

**<u>সশস্ত্ৰ ৰক্ষীৰ পদত উপ-কৰ্মচাৰীৰ নিযুক্তি (কেৱল এক্স-ছাৰ্ভিচমেনৰ বাবে)</u>**

বেংক অৱ বৰোদা, ক্ষেত্ৰীয় কাৰ্যালয়, ক’লকাতা ক্ষেত্ৰ, ক’লকাতা, বৰোদা টাৱাৰ, প্লট নং. 38/2, ব্লক-GN, চেক্টৰ – V, চল্টলেক চিটি, ক’লকাতা – 700091-এ অনা-প্ৰধান কেডাৰত সশস্ত্ৰ ৰক্ষীৰ নিম্নলিখিত খালী পদসমূহ পূৰণ কৰাৰ বাবে এক্স-ছাৰ্ভিচমেনৰ পৰা আৱেদন বিচাৰিছে।

**<u>ৰাজ্য অনুসৰি পদৰ বিৱৰণ</u>**

| ৰাজ্য # | পদ | পদৰ সংখ্যা | SC ** | ST ** | OBC | UR |
|---|---|---|---|---|---|---|
| পশ্চিম বংগ | সশস্ত্ৰ ৰক্ষী | 18 | 0 | 2 | 7 | 9 |
| অসম | | 3 | 0 | 0 | 1 | 2 |
| মেঘালয় | | 1 | 0 | 0 | 1 | 0 |
| মণিপুৰ | | 1 | 0 | 0 | 1 | 0 |

*সংৰক্ষিত পদসমূহৰ ক্ষেত্ৰত সংক্ষিপ্তকৰণ: SC – অনুসূচীত জাতি, ST - অনুসূচীত জনজাতি, OBC – অন্যান্য পিছপৰা শ্ৰেণী, UR – অসংৰক্ষিত।*

# সৰ্বশেষত নিৰ্বাচিত হোৱা প্ৰাৰ্থীসকলক বেংকৰ প্ৰশাসনিক প্ৰয়োজনীয়তা অনুসৰি আৱেদন কৰা ৰাজ্যৰ যিকোনো ঠাইতে নিযুক্তি প্ৰদান কৰা হ’ব পাৰে।

** SC/ ST শ্ৰেণীৰ প্ৰাৰ্থীসকলেও অসংৰক্ষিত খালী পদসমূহৰ বিপৰীতে আৱেদন কৰিব পাৰে। যি কি নহওক, এইক্ষেত্ৰত অসংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত প্ৰযোজ্য নিৰ্দেশনাসমূহ প্ৰযোজ্য হ’ব।

সংৰক্ষণ চৰকাৰী নিয়ম অনুসৰি প্ৰদান কৰা হ’ব।

**<u>যোগ্যতাৰ মানদণ্ড:</u>**

**(01.06.2017-ত) বয়স: নূন্যতম 18 বছৰ সৰ্বাধিক 26 বছৰ।**

**<u>বয়সৰ উচ্চ সীমা শিথিলকৰণ</u>**

| শ্ৰেণী | বয়স শিথিলকৰণ |
|---|---|
| অনুসূচীত জনজাতি (ST) | 5 বছৰ |
| অন্য পিছপৰা শ্ৰেণী (OBC) – নন ক্ৰিমী লেয়াৰ | 3 বছৰ |
| এক্স-ছাৰ্ভিচমেন | সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, সৰ্বাধিক 45 বছৰ বয়স পৰ্যন্ত |
| 1-1-1980-ৰ পৰা 31-12-1989-ৰ ভিতৰত জম্মু আৰু কাশ্মীৰ ৰাজ্যত বসবাস কৰা ব্যক্তি | 5 বছৰ |
| ইউনিয়ন কাৰ্বাইড ফেক্টৰী, ভূপালৰ পৰা চাকৰি হেৰুওৱা নিয়মীয়া কৰ্মচাৰী (কেৱল মধ্য প্ৰদেশ ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য) | 5 বছৰ |
| 1984 চনৰ গোষ্ঠীগত সংঘৰ্ষত মৃত্যু বৰণ কৰা ব্যক্তিৰ সন্তান/পৰিয়ালৰ সদস্য | 5 বছৰ |

**<u>সৰ্বাধিক বয়সৰ উচ্চ সীমা শিথিলকৰণ সম্পৰ্কে স্পষ্টীকৰণ।</u>**

a. **অসংৰক্ষিত প্ৰাৰ্থী** : 26 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।
b. **ST প্ৰাৰ্থী** : 26 বছৰ + 5 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।
c. **OBC প্ৰাৰ্থী** : 26 বছৰ + 3 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।
d. **1-1-1980-ৰ পৰা 31-12-1989-ৰ ভিতৰত জম্মু আৰু কাশ্মীৰ ৰাজ্যত বসবাস কৰা ব্যক্তি** - 26 বছৰ + 5 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।
e. **ইউনিয়ন কাৰ্বাইড ফেক্টৰী, ভূপালৰ পৰা চাকৰি হেৰুওৱা নিয়মীয়া কৰ্মচাৰী (কেৱল মধ্য প্ৰদেশ ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য)** – 26 বছৰ + 5 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।
f. **1984 চনৰ গোষ্ঠীগত সংঘৰ্ষত মৃত্যু বৰণ কৰা ব্যক্তিৰ সন্তান/পৰিয়ালৰ সদস্য** - 26 বছৰ + 5 বছৰ + সামৰিক বাহিনীত আগবঢ়োৱা সেৱাৰ প্ৰকৃত সময়কাল + 3 বছৰ, বয়সৰ সীমা সৰ্বাধিক 45 বছৰ পৰ্যন্ত।

দয়া কৰি মনত ৰাখিব যে “ওপৰত উল্লেখ কৰা শ্ৰেণীসমূহৰ এটাতকৈ অধিক শ্ৰেণীৰ অধীনত বয়সৰ সীমা শিথিলকৰণৰ বাবে যোগ্য প্ৰাৰ্থীৰ ক্ষেত্ৰত বয়সৰ সীমা শিথিলকৰণ এই শিথিলকৰণ প্ৰযোজ্য হোৱা বাকী থকা শ্ৰেণীসমূহৰ এটাৰ সৈতে এক ক্ৰমবৰ্ধিত ৰূপত উপলব্ধ হ’ব।”

**বয়সৰ সীমা শিথিলকৰণৰ সুবিধা গ্ৰহণ কৰিব খোজা প্ৰাৰ্থীয়ে অনলাইন পৰীক্ষাৰ সময়ত আৰু বেংকৰ প্ৰয়োজন অনুসৰি নিযুক্তি প্ৰক্ৰিয়াৰ যিকোনো পৰৱৰ্তী স্তৰত প্ৰয়োজনীয় প্ৰমাণপত্ৰ(সমূহ)ৰ মূল/ প্ৰতিলিপি জমা দিব লাগিব।**

**<u>অপৰিহাৰ্য প্ৰয়োজনীয়তা :-</u>**

- আৰ্মী/ নৌসেনা/ বায়ু-সেনাৰ এক্স-ছাৰ্ভিচমেন হ’ব লাগিব।
- চৰিত্ৰ – “ভাল” (নূন্যতম প্ৰয়োজনীয়তা)।
- মেডিকেল মানদণ্ড – অৱসৰৰ সময়ত বৰ্গ “A”/ আকৃতি-1 মেডিকেল বৰ্গ।
- সশস্ত্ৰ ৰক্ষীৰ কৰ্তব্য পালন কৰিব পৰাকৈ শাৰিৰীকভাৱে সক্ষম হ’ব লাগিব।
- শাৰিৰীক মানদণ্ড – বেংকৰ সশস্ত্ৰ ৰক্ষী ৰূপে সুচাৰুৰূপে দায়িত্ব পালন কৰাত অসুবিধাৰ সৃষ্টি কৰিব পৰাকৈ শাৰিৰীকভাৱে অক্ষম বা অযোগ্য হ’ব নেলাগিব।

**<u>শৈক্ষিক অৰ্হতা:</u>**

- **01/06/2017-ত নূন্যতম 10ম শ্ৰেণী বা তাৰ সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা হ’ব লাগিব।**
- প্ৰাৰ্থীয়ে স্থানীয় ক্ষেত্ৰীয় ভাষা পঢ়িব আৰু লিখিব পৰা হ’ব লাগিব। ইংৰাজী ভাষা জ্ঞান থকা প্ৰাৰ্থীক অধিক গুৰুত্ব প্ৰদান কৰা হ’ব।

**<u>আৱেদনৰ মাচুল:</u>** অনুৰেদন মাচুল হ’ল 100/- টকা।

**<u>পৰিশোধৰ পদ্ধতি:-</u>**

1. **অনলাইন পৰিশোধ (ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড আৰু নেট বেংকিং)।** আবেদনৰ মাচুল / অনুবেদনৰ মাচুলৰ অনলাইন পৰিশোধৰ বাবে পৰিশোধযোগ্য (অন-লাইন পৰিশোধ) বেংক লেনদেন মাচুলৰ ভাৰ প্ৰাৰ্থীয়ে বহন কৰিব লাগিব।

2. **অফলাইন পৰিশোধ (বেংক অৱ বৰোদা চালান)** – অনলাইন প'ৰ্টেলত অনলাইন আৱেদন পত্ৰ সম্পূৰ্ণ কৰাৰ পিছত, ই মাচুল পৰিশোধৰ বাবে এখন পে-ইন স্লিপ/ ভাউচাৰ/ চালান সৃষ্টি কৰিব। বেংকৰ একাউন্টত মাচুল সঠিকভাৱে জমা হোৱাটো সক্ষম কৰিবলৈ মাচুল জমা দিবৰ বাবে কেৱল সেইখন পে-ইন স্লিপহে ব্যৱহাৰ কৰিব লাগিব। এইখন পে-ইন স্লিপৰ সৈতে বেংক অৱ বৰোদাৰ নিকটৱৰ্তী শাখালৈ যাওক আৰু কেৱল এইখন স্বয়ংসৃষ্ট পে-ইন স্লিপ ব্যৱহাৰ কৰি বেংকৰ শাখাত আৱশ্যকীয় পৰিমাণ জমা কৰক।

| | |
|---|---|
| অনলাইন আৱেদনৰ আৰম্ভ তাৰিখ **- 22.09.2017** | অনলাইন আৱেদনৰ অন্তিম তাৰিখ **- 12.10.2017** |

**<u>দৰমহা আৰু ভাট্টা</u>**

মূল বেতন (টকাত), কাল অনুসৰি . 9560 - 325/4 – 10860 - 410/5 – 12910 - 490/4 – 14870 - 570/3 – 16580 -655/3 – 18545. মহাৰ্ঘ ভাট্টা, এইচআৰএ আৰু অন্য ভাট্টাসমূহ প্ৰযোজ্য হাৰ অনুসৰি প্ৰদান কৰা হ'ব।

**<u>নিৰ্বাচন প্ৰক্ৰিয়া:</u>**

নিৰ্বাচন কেৱল (অনলাইন) পৰীক্ষাৰ যোগেদি সম্পন্ন কৰা হ'ব। অনলাইন সম্পন্ন কৰিবলগীয়া পৰীক্ষাৰ সংযুতি হ'ব এনেধৰণৰ :-

| **ক্ৰমিক নং.** | **বিষয়** | **মুঠ নম্বৰ** | **নুন্যতম যোগ্যতা লাভৰ নম্বৰ*** | **মুঠ সময়** |
|---|---|---|---|---|
| 1 | স্থানীয় ভাষাৰ জ্ঞান | 20 | 7 | 2 ঘন্টা |
| 2 | ইংৰাজী ভাষাৰ জ্ঞান | 10 | 3.5 | |
| 3 | স্বাভাৱিক বুদ্ধিমত্তাৰ পৰীক্ষা | 40 | 14 | |
| 4 | বুনিয়াদী গণিত / সংখ্যা-সম্বন্ধীয় দক্ষতা | 10 | 3.5 | |
| 5 | চাইক'মেট্ৰিক পৰীক্ষা | 20 | 7 | |
| | **মুঠ** | **100** | **35** | |

* ওপৰত নিৰ্ধাৰণ কৰা প্ৰয়োজনীয় নুন্যতম যোগ্যতা লাভৰ নম্বৰ, সাধাৰণ মানদণ্ডৰ ওপৰত লক্ষ্য ৰাখি, 5% শিথিল কৰা হ'ব পাৰে।

ইংৰাজী ভাষা আৰু স্থানীয় ভাষাৰ জ্ঞানৰ বাহিৰে ওপৰৰ সকলো পৰীক্ষা দ্বিভাষিক অৰ্থাৎ ইংৰাজী / স্থানীয় ভাষাত উপলব্ধ থাকিব।

পৰীক্ষাৰ সংযুতি পৰিৱৰ্তন কৰাৰ অধিকাৰ বেংকে নিজৰ হাতত ৰাখিছে, আৰু বেংকৰ ৱেবছাইটৰ যোগেদি এনে পৰিৱৰ্তনৰ বিষয়ে জনোৱা হ'ব। পৰীক্ষা সম্পৰ্কীয় অন্য বিৱৰণমূলক তথ্য এখন তথ্য পত্ৰৰ উপলব্ধ কৰি তোলা হ'ব আৰু আমন্ত্ৰণ পত্ৰৰ সৈতে একেলগে প্ৰাৰ্থীলৈ প্ৰেৰণ কৰা হ'ব/বেংকৰ ৱেবছাইটত ডাউনলোডৰ বাবে উপলব্ধ হৈ থাকিব।

**<u>দায়লুপ্তি :</u>**

**নিৰ্বাচন প্ৰক্ৰিয়া যিকোনো স্তৰত কোনো প্ৰাৰ্থীৰ দ্বাৰা অশুদ্ধ তথ্য প্ৰদান আৰু/বা প্ৰক্ৰিয়া ভংগ কৰাৰ দৰে ঘটনা চিনাক্ত হ'লে তেনে প্ৰাৰ্থীক নিৰ্বাচন প্ৰক্ৰিয়াৰ পৰা অযোগ্য ঘোষণা কৰা হ'ব আৰু ভৱিষ্যতেও বেংকৰ কোনো পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুমতি দিয়া নহ'ব। যদি এনে ঘটনা বৰ্তমানৰ নিৰ্বাচন প্ৰক্ৰিয়াত চিনাক্ত**

নোহোৱাকৈ থাকি যায়, কিন্তু পিছৰ পৰ্যায়ত ধৰা পৰে, তেন্তে এনে বহিষ্কাৰকৰণ ভুতাপেক্ষভাৱে প্ৰযোজ্য হ'ব। কোনো কাৰণ নদৰ্শোৱাকৈ এই নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত কৰাটো বাতিল কৰাৰ অধিকাৰ বেংকে নিজৰ হাতত ন্যস্ত ৰাখিছে।

এই নিযুক্তি সম্বন্ধীয় সকলো বিষয়ৰ ক্ষেত্ৰত বেংকে গ্ৰহণ কৰা সিদ্ধান্তক চূড়ান্ত ৰূপে গণ্য কৰা হ'ব আৰু সকলো প্ৰাৰ্থীয়ে মানি ল'ব লাগিব।

**দয়া কৰি মনত ৰাখিব যে, 26/06/2017 তাৰিখৰ আমাৰ ৱেবছাইটৰ অধিসূচনা অনুসৰি 26/06/2017-ৰ পৰা 16/07/2017-ৰ ভিতৰত অনলাইন আৱেদন পত্ৰ পঞ্জীয়ন কৰা এক্স-ছাৰ্ভিচমেন প্ৰাৰ্থীসকলে পুনৰ আৱেদন কৰাৰ প্ৰয়োজন নাই।**